# আক্কিলা আৰু প্ৰিষ্কিলাই নতুন চলাওঁতা সকলক সদুপদেশ দিয়া

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন M1b পঢ়া উচিত।

**প্ৰাৰ্থনা ঃ** হে স্বৰ্গত থকা পিতৃ, তেওঁলোকে পৰিচৰ্য্যা কৰা লোকবিলাকক সংগঠিত কৰাত সহায় হবলৈ নতুন চলাওঁতা বিলাকক সদুপদেশ দিবলৈ মোক সহায় কৰক। আপোনাৰ ৰাজ্য জগতত বাঢ়ি যাবলৈ মই সহায় কৰাসকলে যেন আন চলাওঁতা বিলাকক সদুপদেশ দিব পাৰে, তাৰ বাবে তেওঁলোকক সহায় কৰক।

**১। আনক সদুপদেশ দিবলৈ আপোনাৰ অন্তৰ ঈশ্বৰৰ বাক্যৰ দ্বাৰা প্ৰস্তুত কৰক।**

আক্কিলা আৰু প্ৰিষ্কিলাই কেনেকৈ আপোনাক সদুপদেশ দিছিল **চাওঁক** পাঁচনিৰ কৰ্ম ১৮:২৪-২৮।



- তেওঁৰ প্ৰয়োজনৰ ভাল বেয়া শুনাৰ আগেয়ে অথবা পাছত, আক্কিলা আৰু প্ৰিষ্কিলাই আপল্লোক সদুপদেশ দিছিল।
- আপল্লোৰ প্ৰয়োজনৰ ভাল-বেয়া সাৰধানে শুনি আক্কিলা আৰু প্ৰিষ্কিলাই ক'ত তেওঁক উপদেশ দিছিল?
- তেওঁলোকৰ ঘৰত উপদেশ দিয়া আপল্লোৱে কি কৰিছিল? *(২৭-২৮ পদ চাওঁক)।*
- আক্কিলা প্ৰিষ্কিলাই পৰস্পৰ ঐক্যতাৰ খ্ৰীষ্টৰ পৰিচৰ্য্যা কৰিছিল। আপোনালোকৰ মাজত এনেদৰে কাম কৰা বিবাহিত পুৰুষ ও স্ত্ৰী সহায় কৰিবলৈ কি কৰিব পাৰে?

চলাওঁতাক দুই ধৰণে প্ৰশিক্ষণ দিয়ক ঃ

১। যীচুৱে লোকসমূহক শিকোৱা দৰে লোকবিলাকক কথা কব।

২। তেওঁৰ পাঁচনিবিলাকক প্ৰস্তুত কৰাৰ দৰে এটি সৰু গোটক সদুপদেশ দিয়ক।

শিক্ষা দিয়াৰ এই দুটা প্ৰণালীৰ সমতা ৰাখিব ঃ

- নতুন চলাওঁতা আৰু নতুন মণ্ডলী (সমাজ) নতুনকৈ জন্মা শিশুৰ নিচিনা, দৰ্কাৰী প্ৰয়োজনীয়তাবোৰ আছে। তেওঁবিলাকক শিকাবলৈ তেওঁলোকতকৈ অধিক অভিজ্ঞ জনাৰ প্ৰয়োজন।
- পুৰণি মণ্ডলী (সমাজ) আৰু পৰিপক্ক চলাওঁতা অধিক মনোযোগ দিয়াৰ প্ৰয়োজন নাথাকে, তেওঁৰ প্ৰশিক্ষাৰ্থীসকলে তেওঁৰ সহায় নোলোৱাকৈ পৰিচৰ্য্যা কৰি থাকোতে, যীচুৰ নিচিনাকৈ পৌলেও তেওঁলোকক শিকোৱা বন্ধ কৰিছিল।
- কৰ্মশালা আৰু চমু শিক্ষাবোৰ প্ৰয়োজন সাপেক্ষে প্ৰদান কৰক, কিন্তু নতুন চলাওঁতা সকলৰ বাবে এইয়ে যথেষ্ট নহয়। তেওঁলোকৰ প্ৰশিক্ষাৰ্থী সকলক পৌল আৰু যীচুৱে সদুপদেশ দিয়াৰ দৰে তেওঁলোকক সদুপদেশ দিয়ক।

এজন চলাওঁতাই আন জনে চলাওঁতাক কি দৰে সদুপদেশ দিব? তলত উল্লেখ কৰা সাতোটা বিষয় কৰাত মুখস্থ ৰাখক।

- সৰু গোট ৰাখক। প্ৰতি গৰাকী প্ৰশিক্ষাৰ্থীক সহায় কৰাত আপুনি সময় দিয়ক।
- মেৰ ৰখীয়াৰ অৰ্হতা আৰ্হি ৰূপে লওঁক। সহজে অনুকৰণ কৰিব পৰাকৈ কাম কৰক।
- প্ৰতিগৰাকী প্ৰশিক্ষাৰ্থীৰ ৰিপোৰ্ট শুনিব। প্ৰতি গৰাকী প্ৰশিক্ষাৰ্থী তেওঁলোকে কৰা কামৰ বিবৰণ, আৰু তেওঁৰ গোটৰ কি কি প্ৰয়োজন সেই বিষয়ে খতিয়ান দাঙি ধৰক।
- প্ৰতি গৰাকী প্ৰশিক্ষাৰ্থীক কৰিব লগীয়া কামৰ আঁচনি প্ৰস্তুত কৰাত সহায় কৰক। তেওঁলোকৰ প্ৰয়োজনীয়তাবোৰ পূৰ কৰিবলৈ কি কৰিব সেই বিষয়ে লিখক। নতুন নিয়মে বিচৰা কাম-কাজবোৰ কৰক। অথবা সমস্যাবোৰত অধিক সময় খৰছ নকৰক। প্ৰতিটো সদুপদেশ দিয়া সভাত নতুন মণ্ডলীক (সমাজক) গঢ়ি তোলাত কিবা নতুন যোগ দিয়ক।
- প্ৰশিক্ষাৰ্থী সকলে কি পঢ়িলে আপোনাক কবলৈ দিয়ক। যোৱা বাৰ তেওঁলোকক পঢ়িবলৈ দিয়া অংশৰ পৰা কি শিকিলে?

- নতুন অংশ পঢ়িবলৈ দিয়ক। অধ্যয়নৰ বাবে বাচি দিয়া তালিকাৰ পৰা প্ৰত্যেক ছাত্ৰ-ছাত্ৰীৰ আঁচনিত খাপ খোৱা অংশবোৰ সাৱধানে বাচি ল'ব। শিকোতা সকলে একেখিনিকে অধ্যয়ন নকৰে।
- পৰস্পৰৰ নিমিত্তে প্ৰাৰ্থনা কৰক। পৰিচালনা আৰু শক্তিৰ বাবে আৰু আপুনি পৰিচৰ্য্যা কৰা সকলৰ নিমিত্তে প্ৰাৰ্থনা কৰক।

**বাইবেলত কোনে কাক পৰামৰ্শ দিছিল তলত উল্লেখ কৰা হ'ল**

যিথ্ৰোয়ে ⟶ মোচিক ⟶ ইস্ৰায়েলৰ বৃদ্ধসকলক, যিসকলে ইস্ৰায়েলবিলাকৰ প্ৰতি পালন কৰিছিল।

মোচিয়ে ⟶ যিহোচূৱাক, যিজনে প্ৰতিজ্ঞাৰ দেশ দখল কৰিবলৈ ইস্ৰায়েলৰ সৈন্যসমূহক আজ্ঞা দিছিল।

দেবৰাই ⟶ বৰাকক, যিজনে দেৱপূজা কৰোঁতে কনানীয়বিলাকক পৰাস্ত কৰিবলৈ ইস্ৰায়েলৰ সৈন্যক পৰিচালনা কৰিছিল।

এলিয়াই ⟶ চমূৱেলক ⟶ চৌল ৰজা আৰু দায়ূদ ৰজাক।

নাথনে ⟶ দায়ূদক ⟶ চলোমন ⟶ the Queen of Sheba

এলিয়া ⟶ ইলীচা ⟶ ৰজা

দানিয়েল ⟶ নবূখেদনেজৰ

মৰ্দ্দখয় ⟶ ইষ্টেৰ

যীচু ⟶ তেওঁৰ পাঁচনিবিলাক ⟶ নতুন মণ্ডলীবিলাকৰ বৃদ্ধ সকল।

ফিলিপ ⟶ Ethiopian official

প্ৰিস্কিলা আৰু আক্কিলা ⟶ আপল্লো

পৌল ⟶ তীমথিয় ⟶ বিশ্বাসী লোকসকল ⟶ আন লোকবিলাকো (২ তীমথিয় ২:২)

**২। সপ্তাহটোত কৰিবলগীয়া কামবোৰ আপোনাৰ সহ-কৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

- আপোনাৰ জাকত চলাওঁতা ৰূপে পৰিচৰ্য্যা কৰিব পৰা বিশ্বাসীসকলক পৰিদৰ্শন কৰক। তেওঁলোকক সকলো প্ৰকাৰে নিয়মীয়াকৈ সদুপদেশ দিবলৈ এগৰাকী প্ৰশিক্ষকৰ ব্যৱস্থা কৰক।
- সেই অঞ্চলৰ অন্য মণ্ডলীৰ চলাওঁতাক সদুপদেশ দিয়া প্ৰয়োজন হলে তাৰ ব্যৱস্থা কৰিবলৈ সেই ঠাই পৰিদৰ্শন কৰক।
- কোনো বিশ্বাসী অথবা বন্ধুক যিকোনো পৰামৰ্শৰ দৰ্কাৰ হলে, তেওঁলোকক পৰিদৰ্শন কৰক। তেওঁবিলাকৰ প্ৰয়োজনৰ ভাল বেয়া বুজিবলৈ আৰু পৰিচৰ্য্যা কৰাৰ সুবিধা জানিবলৈ তেওঁলোকৰ কথাবোৰ শুনক।

**৩। হবলগীয়া উপাসনা বিষয়ে আপোনাৰ সহ-কৰ্ম্মীসকলৰ লগত আঁচনি কৰক।**

**স্থানীয় ৰীতি-নীতিত** খাপ খোৱা কামবোৰ বাচি লব আৰু নতুন চলাওঁতা সকলক শিকাবলৈ আৰু প্ৰয়োজনত থকা জনক সহায় কৰিবলৈ ঈশ্বৰৰ শক্তিৰ কাৰণে প্ৰাৰ্থনা কৰক।

**আক্কিলা আৰু প্ৰিস্কিলাই** কেনেকৈ আপল্লোক পৰামৰ্শ দিছিল সেই কথা **কওঁক অথবা নাটক কৰি** দেখুওৱাক। প্ৰথম খণ্ডত তেঁওবিলাকৰ বিষয়ে শিকা কথাবোৰ আলোচনা কৰক।

**দুই ধৰণে কেনেকৈ সমতা** ৰাখিব পাৰি **বৰ্ণনা** কৰক। (প্ৰথম খণ্ডৰ পৰা) আৰু আন লোকক কিদৰে সদুপদেশ দিছিল, বাইবেলৰ পৰা সেই সকলৰ বিষয়ে কওঁক।

**পৌল তীমথিয়ৰ শিকোৱা পদ্ধতিৰ বিষয়ে দেখুৱাওক ঃ**

- আটাইকে থিয় হবলৈ দি চাৰিটা দল গঠন কৰক, ইজনে-সিজনৰ পৰা ভাগ হওঁক। প্ৰতিটো দল একোখন চহৰ বুলি ব্যাখা কৰক।
- কোনো এজনক ২ তীমথিয় ২:২ পঢ়িবলৈ দি বুজাই দিব যে এই পদত নতুন সমাজ উদ্ভৱ হোৱাৰ চাৰিটা সম্বন্ধ বিষয়ে প্ৰকাশ কৰিছে ঃ ১। আন্তিয়খিয়াত পৌল ২। ইফিচত তীমথিয় ৩। বিশ্বাসী মানুহবিলাক, ইয়াৰে কিছুমান কলচীৰ আৰু ৪। অন্য লোকবিলাকো, ইয়াৰ কিছুমানে লায়দিকেয়াত বাস কৰা।

১। আন্তিয়খিয়া। ঈশ্বৰৰ বাক্য প্ৰথমে আন্তিয়খিয়াৰ পৰাই পৌল আৰু বাৰ্ণব্বা লৈ গৈছিল। দ্বিতীয় দল অৰ্থাৎ ইফিচলৈ এখন বাইবেল কঢ়িয়াই নিবলৈ প্ৰথম দলৰ দুজন লোকক কওঁক।

২। ইফিচ পৌলে তীমথিয়ক সদুপদেশ দিছিল, যিজনক ঈশ্বৰৰ পৰিচৰ্য্যা কৰি যাবলৈ তেওঁক ইফিচত এৰি আহিছিল।

৩। কলচী 'তীমথিয়ই বিশ্বাসী মানুহবিলাকক শিক্ষা দিছিল। তেওঁলোক ইপাফ্ৰা আদি কৰি ইফিচ আৰু কলচীৰ আন বৃদ্ধ লোকসকল আছিল (কলচীয়া ১:১-৮)

৪। লায়দিকেয়া। কলচীৰ পৰা ইপাফ্ৰাই লায়দিকেয়াত আন লোককো সদুপদেশ দিছিল (কলচীয়া ৪ : ১২-১৩)

যাত্ৰাপুস্তক ১৮ অধ্যায়ৰ পৰা যিথ্ৰোৱে কেনেকৈ মোচিক পৰামৰ্শ দিছিল সেই সম্পৰ্কে কওঁক অথবা নাটক কৰি দেখুওৱাক।

বিশ্বাসীবিলাকে অলপতে কৰা পৰামৰ্শৰ **ৰিপোৰ্ট** দিবলৈ কওঁক।

**ল'ৰা-ছোৱালীয়ে** প্ৰস্তুত কৰা পদ্য আৰু নাটক দেখুৱাবলৈ দিয়ক।

দুই বা তিনিজনীয়া দলত আঁচনিবোৰ আলোচনা কৰক। প্ৰাৰ্থনা, পৰামৰ্শ দিয়াৰ আঁচনি আৰু পৰস্পৰে উৎসাহিত কৰক।

এলিয়াই কেনেদৰে ইলীচাক পৰামৰ্শ দিছিল **লৰা-ছোৱালীক নাটক** কৰিবলৈ দিয়ক। নাটকৰ বাবে প্ৰস্তুত কৰা প্ৰশ্নবোৰ লৰা-ছোৱালীয়ে বয়সীয়া সকলক সুধিব পাৰে।

**প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ**, ৰোমীয় ১৬:৩—৫ পদ পঢ়ক আৰু ৰোমত, আক্কিলা, প্ৰিস্কিলাৰ ঘৰত মণ্ডলী গোট খোৱা বৰ্ণনা কৰক। (১কৰিন্থীয়া ১৬:১৯) এই কথাই আমাক বিশ্বাসী সকলে পাঁচনিবিলাকৰ সময়ত প্ৰভুৰ ভোজ ক'ত উদযাপন কৰিছিল। তেওঁবিলাকে সৰু গোটবোৰত পিঠা ভাঙিছিল য'ত প্ৰতিজন বিশ্বাসীয়ে পৰস্পৰে পাইছিল।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net